**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-SEPTEMBER-2026
**Time :** 12.05 PM

# ASSAMESE 12.05 PM BULLETIN

———————————————————————————

## HEADLINES

১। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি জুবিন দিৱস পালন।

২। ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক প্ৰধানমন্ত্ৰীৰ নিযুক্তি পত্ৰ বিতৰণ।

৩। দেশজুৰি আয়োজন কৰা মাহজোৰা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচী ৰূপায়ণ।

আৰু

৪। জাপানৰ আইচি-নাগোয়াত আজিৰেপৰা এছিয়ান গেমছ্। লাভলীনা বৰগোহাঁইকে ধৰি ভাৰতৰ পাঁচ শতাধিক ক্ৰীড়াবিদৰ অংশগ্ৰহণ।

oooooo

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ আজি এবছৰ সম্পূৰ্ণ হ'ল। তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতৰ একপ্ৰকাৰ অপ্ৰতিদ্বন্দ্বী কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়াৰ উপৰি বাংলা, হিন্দী আৰু কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ থৈ গৈছে।

শিল্পীগৰাকীৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। শিল্পীগৰাকীক শ্ৰদ্ধা জনাবৰ বাবে জুবিনক্ষেত্ৰত অসংখ্য লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত  সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই দিয়া এটা বাৰ্তাত কয়, যে অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অনবদ্য অৱদান আৰু আজীৱন সাধনাৰে শিল্পীগৰাকীয়ে জাতীয় জীৱন সমৃদ্ধ কৰি গৈছে। জুবিন গাৰ্গৰ কালজয়ী সুৰ আৰু অনন্য শিল্পকৰ্মই অসমৰ পৰিধি চেৰাই দেশ-বিদেশৰ অগণন শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ লগতে ৰাজ্যৰ সাংস্কৃতিক

ধাৰাক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে মহান শিল্পীগৰাকীৰ সৃষ্টিৰাজি প্ৰতিটো প্ৰজন্মৰ শিল্প সাধনাৰ বাবে চিৰন্তন প্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলি বিশ্বাস ব্যক্ত কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালন কৰিব। অসম জাতীয় বিদ্যালয় আৰু জুবিন গাৰ্গ ন্যাসৰ উদ্যোগত ৰাজ্যৰ জাতীয় বিদ্যালয়সমূহত শিল্পীগৰাকীৰ সোঁৱৰণত 'দিয়া ঘূৰাই দিয়া' গীতটি পৰিৱেশন কৰা হয়।

*(গান)*

নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত এই কাৰ্যসূচীত জুবিন গাৰ্গ ন্যাসৰ হৈ গৰিমা শইকীয়া গাৰ্গ, ন্যাসৰ কাৰ্যকৰ্তা গৌতম শৰ্মা উপস্থিত থাকে। গৰিমা শইকীয়া গাৰ্গে বিদ্যালয়খনৰ দুহেজাৰ ৫০০ শিক্ষাৰ্থীয়ে সমস্বৰে এই গীতটি পৰিৱেশন কৰি শিল্পীগৰাকীৰ প্ৰতি দেখুওৱা মৰম আৰু শ্ৰদ্ধাৰ শলাগ লয়।

বাইট

০০০০০০

জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ধেমাজিত জিনু চুতীয়া বৰুৱা নামৰ এগৰাকী শিপিনীয়ে শিল্পীগৰাকীৰ ৬০ টাকৈ গীত গামোচাত ফুল তুলি প্ৰকাশ কৰিছে। ১২৬ ফুট দৈৰ্ঘ্যৰ গামোচাখনত শিল্পীগৰাকীৰ জনপ্ৰিয় ৬০ টাকৈ গীত তুলি ধৰাৰ শিপিনীগৰাকীৰ এই ব্যতিক্ৰমী প্ৰয়াসক সকলোৱে প্ৰশংসা কৰিছে। ইয়াৰ পূৰ্বেও তেওঁ গামোচাত ফুলেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছৱি, নাম-কীৰ্তন, বৰগীত, ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছৱি আৰু গীত তথা স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতিচ্ছৱি ফুলেৰে তুলি ধৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিংশতম ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। দেশৰ ৪৫ টা স্থানত এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। নৱ নিযুক্ত প্ৰাৰ্থীসকলে কৰ বিভাগ, ৰে'ল বিভাগ, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্ত সেৱা, প্ৰতিৰক্ষাকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত যোগদান কৰিব। এইবাৰৰ ৰোজগাৰ মেলাক সামৰি এই প্ৰক্ৰিয়াৰ জৰিয়তে দেশত নিযুক্তিপ্ৰাপ্তৰ সংখ্যা ১২ লাখ ৭৫ হাজাৰ হৈছেগৈ। এই ৰোজগাৰ মেলাসমূহৰ যোগেৰে চৰকাৰে যুৱক-যুৱতীসকলক বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানত নিযুক্তি প্ৰদানৰ সুবিধাৰে দেশৰ বিকাশৰ যাত্ৰাত যুৱ প্ৰজন্মৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ প্ৰয়াস কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি আয়োজন কৰা মাহজোৰা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ধেমাজিৰ গোহাঁইচাপৰিত আজি এই উপলক্ষে 'এজোপা গছ মাৰ নামত' কাৰ্যসূচীৰ অধীনত গছপুলি ৰোপণ কৰা হয়। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ তথা ধেমাজি বন সংমণ্ডলৰ উদ্যোগত

আয়োজিত এই কাৰ্যসূচীত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই অংশ লয়। সাংসদগৰাকীয়ে কয়, যে প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণ কেৱল দায়িত্বই নহয়, বৰঞ্চ এয়া হৈছে ভৱিষ্যত প্ৰজন্মৰ প্ৰতি দায়বদ্ধতা। সাংসদ বৰুৱাই সেউজ, সুস্থ আৰু বহনক্ষম অসম গঢ়াৰ লক্ষ্যৰে গছপুলি ৰোপণৰ লগতে ইয়াৰ সংৰক্ষণ আৰু প্ৰতিপালনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত চিচিবৰগাঁৱৰ বিধায়ক জীৱন গগৈকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা মুঠ ২৫ জন প্ৰাৰ্থীৰ ভিতৰত ৭ জনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। মনোনয়ন নাকচ হোৱা প্ৰাৰ্থীকেইজন হৈছে নিৰ্দলীয় শ্বাহ আলম, প্ৰণৱ কৌশিক, ৰাবুল হক, খলিলুদ্দিন, চামচুল আলম, আৰু চিকন্দৰ আলি তথা জয়প্ৰকাশ জনতা দলৰ পংকজ মৌৰ্য। প্ৰণৱ কৌশিকে আমানতৰ ধন জমা নকৰা বাবে আৰু  বাকীসকলে প্ৰপত্ৰ সম্পূৰ্ণকৈ পূৰ নকৰাৰ বাবে মনোনয়ন পত্ৰ নাকচ হোৱা বুলি ৰিটাৰ্ণিং বিষয়া তথা নগাঁৱৰ জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এটা নিৰ্দেশত উল্লেখ কৰিছে। বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ দি এফৰ বদৰুদ্দিন আজমলকে ধৰি মুঠ ১৭ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামৰ মনোনয়ন দলীয় নিস্পত্তিহীন বিবাদৰ বাবে স্থগিত ৰখা হয়। কালি এই সন্দৰ্ভত জিলা প্ৰশাসনে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই আৰু তেওঁৰ মনোনয়ন পত্ৰ অমিমাংসিত হৈ ৰয়। উল্লেখযোগ্য যে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০

জাপানৰ আইচি-নাগোয়াত আজি বিংশতম এছিয়ান গেমছ আৰম্ভ হ'ব। পালমা মিজুহো ষ্টেডিয়ামত আয়োজিত মুকলি অনুষ্ঠানত দ্বৈত অলিম্পিক পদক বিজয়ী শ্বুটাৰ মনু ভাকৰ আৰু শ্বটপুট খেলুৱৈ তাজিন্দৰপাল সিং তুৰে ভাৰতীয় দলৰ পতাকা বহন কৰিব। অহা চাৰি অক্টোবৰলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ভাৰতৰ ৫০০ তকৈও অধিক এথলীটে ৩৭ টা শাখাত অংশগ্ৰহণ কৰিব। ভৰিৰ গাঁঠিৰ আঘাতৰ বাবে জেভলিন থ্ৰ'ৰ যোৱাবাৰৰ বিজয়ী নীৰজ চোপ্ৰাই অংশ ল'ব পৰা নাই যদিও দলটোত ৫ জনকৈ অলিম্পিক পদক বিজয়ী ক্ৰীড়াবিদ আছে। বেডমিণ্টনত পি ভি সিন্ধু, ভাৰোত্তোলনত মীৰাবাই চানু, বক্সিঙত লাভলীনা বৰগোহাঁই আৰু মল্লযুঁজত আমান শেহৰাৱতে ভাৰতীয় দলক নেতৃত্ব প্ৰদান কৰিব। এইবাৰ ৪৫ খন দেশৰ ক্ৰীড়াবিদে ৪৩ টা ক্ৰীড়া শাখাত ৪৬৯ টা পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। জাপানে ১৯৫৮ চনত টকিঅ' আৰু ১৯৯৪ চনত হিৰোশ্বিমাৰ পাছত তৃতীয়বাৰলৈ এই মহাদেশীয় প্ৰতিযোগিতাখন আয়োজন কৰিছে।

০০০০০০

**সমাপ্ত**